**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমৰ শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ বিশেষ কাৰ্যসূচী লৈ পঞ্জাবত উপস্থিত হৈছে।

৩। ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত যোৱা বছৰৰ ছেপ্তেম্বৰত আটক কৰা লাডাখৰ নেতা চনম ৱাংচুকক কেন্দ্ৰীয় চৰকাৰে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ মুকলি কৰি দিছে।

৪। ৰাছিয়া, চীন আৰু শেহতীয়াকৈ ভাৰতৰ পাছত বাংলাদেশৰ তেল পৰিবাহী জাহাজক হৰমুজ প্ৰণালীৰে চলাচল কৰাত ইৰানে অনুমতি দিছে।

আৰু

৫। এফ আই এইচ মহিলা হকী বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমৰ শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বৰাক উপত্যকাৰ উন্নয়নৰ লক্ষ্যৰে নিৰ্মাণ কৰিবলগীয়া ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা শিলচৰ হাইস্পীড কৰিডৰ, প্ৰায় ৫৬৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা শিলচৰ টাউন উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয় সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয় আছে। শিলচৰৰ অম্বিকাপুৰত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল, বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাগৰাকী সাংসদ আৰু বিধায়ক উপস্থিত আছিল। প্ৰধানমন্ত্ৰীৰ শিলচৰ ভ্ৰমণ কালতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাকৰ শ্ৰীকোণাত নিৰ্মাণ কৰা মিনি সচিবালয় আৰু দাৰগাকোণাৰ মিঠাপানীত অসম চৰকাৰৰ নগৰ আৰু গৃহ নিৰ্মাণ বিভাগৰ সন্মিলন কেন্দ্ৰ উদ্বোধন কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ বিশেষ কাৰ্যসূচী লৈ পঞ্জাবত উপস্থিত হৈছে। তাত তেওঁ কিল্লি চেহলা নামৰ গাওঁখনত **বদলাৱ ৰেলী** শীৰ্ষক জনসমাবেশত অংশগ্ৰহণ কৰিছে। ৰাজ্যখনত অহা বছৰ হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই সমাবেশৰ জৰিয়তে বিজেপিয়ে ৰাজনৈতিক শক্তি প্ৰদৰ্শনৰ প্ৰস্তুতি চলাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে পঞ্জাবৰ প্ৰতিজন লোকে পৰিৱৰ্তন বিচাৰিছে, কাৰণ এইখন চৰকাৰে যোদ্ধা, কৃষক আৰু কঠোৰ পৰিশ্ৰমীলোকৰ ৰাজ্যখনক দূৰ্নীতি, ড্ৰাগছ

আৰু অপৰাধৰ ৰাজ্য কৰি গঢ়ি তুলিছে। তেওঁ অভিযোগ কৰে যে ৰিমোট কণ্ট্ৰলেৰে চলা চৰকাৰ থকা ৰাজ্যখনত আইন-শৃংখলা আৰু উন্নয়নৰ নামত একোৱেই দেখা পোৱা নাযায়।

০০০০০০০০০

———কেন্দ্ৰীয় চৰকাৰে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ চনম ৱাংচুকৰ আটক কৰি ৰখা আদেশ প্ৰত্যাহাৰ কৰিছে। তেওঁক ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত বিগত বৰ্ষৰ ছেপ্তেম্বৰ মাহত আটক কৰা হৈছিল। গৃহ মন্ত্ৰালয়ে জানিবলৈ দিছে যে লাডাখলৈ শান্তি, সুস্থিৰতা আৰু পাৰস্পৰিক বিশ্বাস ঘূৰাই আনি সংশ্লিষ্ট পক্ষৰ সৈতে গঠনমূলক আৰু ফলপ্ৰসু আলোচনা  কৰিবলৈ দায়বদ্ধ। মন্ত্ৰালয়ে এই সকলে দিশ বিবেচনা কৰি এই সিদ্ধান্ত গ্ৰহণ কৰিছে। লাডাখৰ বাবে সকলো প্ৰয়োজনীয় সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। উচ্চ ক্ষমতাসম্পন্ন সমিতি আৰু আন উপযুক্ত মঞ্চৰ জৰিয়তে হোৱা গঠনমূলক আলোচনাৰে অঞ্চলটোৰ সকলো ধৰণৰ সমস্যা সমাধান হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে আশা প্ৰকাশ কৰে।

০০০০০০০০

———ভাৰত পেট্ৰ'লিয়ামে আজি প্ৰকাশ কৰে যে ৰন্ধন গেছৰ উপলভ্যতা নিয়মীয়া কৰাৰ ক্ষেত্ৰত কোম্পানিটো সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ। প্ৰতিষ্ঠানটোৱে ঘৰুৱা ৰন্ধন গেছ চিলিণ্ডাৰৰ যোগান অব্যাহত ৰাখিবৰ বাবে বিতৰকসকলৰ সৈতে অবিৰতভাৱে কাম কৰি আছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰত পেট্ৰ'লিয়াম কৰ্পৰেচন লিমিটেডৰ কৰ্তৃপক্ষই কয় যে ভাৰতে ৰন্ধন গেছৰ যোগান স্থিৰ ৰাখিবলৈ সমৰ্থ হৈছে। বাৰ্তাটোত কোৱা হয় যে দেশৰ বৰ্ধিত উৎপাদন আৰু শক্তিশালী ৰাষ্ট্ৰীয় বিতৰণ ব্যৱস্থাৰ জৰিয়তে গ্ৰাহকসকলক ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰি অহা হৈছে।

০০০০০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি ভাৰতীয় মহাকাশ গৱেষণা সংস্থাক তামিলনাডুৰ মহেন্দ্ৰগিৰিৰ ইছৰ'ৰ নিক্ষেপণ চৌহদৰ পৰা সাগৰ পৃষ্ঠত ২২ টন ওজনৰ **CE20**  ক্ৰাইঅজেনিক ইঞ্জিনৰ সফল পৰীক্ষণৰ বাবে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে এই সফল পৰীক্ষণে ইঞ্জিনটো বৰ্হি সুৰক্ষা ব্যৱস্থা আৰু বহুতৰপীয়া প্ৰজ্বলনৰ  ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। এই সফল পৰীক্ষণে দেশৰ উন্নত ক্ৰাইঅজেনিক নিক্ষেপণৰ সামৰ্থ বৃদ্ধি হোৱাৰ ফলত **LVM3** আঁচনিৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰিছে।

০০০০০০০

ৰাছিয়া, চীন আৰু শেহতীয়াকৈ ভাৰতৰ পাছত বাংলাদেশৰ তেল পৰিবাহী জাহাজক হৰমুজ প্ৰণালীৰে চলাচল কৰাত ইৰানে অনুমতি দিছে। মধ্য প্ৰাচ্যৰ যুদ্ধকালীন পৰিস্থিতিত সম্প্ৰতি ইৰানে হৰমুজ প্ৰণালী বন্ধ কৰি দিয়াত বিশ্বজুৰি ইন্ধন সৰবৰাহত ব্যাঘাত জন্মিছে। বাংলাদেশৰ ঢাকাত থকা ইৰানৰ ৰাষ্ট্ৰদূত জলিল ৰহিমি জাহানাবাদীয়ে কালি প্ৰকাশ কৰে যে হৰমুজ প্ৰণালীৰে বাংলাদেশলৈ তেল পৰিবাহী জাহাজ অহাত তেহৰানৰ আপত্তি নাই। বাংলাদেশৰ প্ৰধানমন্ত্ৰী তাৰিক ৰহমান আৰু শক্তিমন্ত্ৰী ইকবাল হাছান মহম্মদে কৰা অনুৰোধৰ পাছতে তেহৰানে এই সিদ্ধান্ত লয়।

০০০০০০০০০

যুৱ সংগমৰ ষষ্ঠ পৰ্যায়ৰ বাবে পঞ্জীয়ন আৰম্ভ হৈছে। **এক ভাৰত শ্ৰেষ্ঠ ভাৰত** কাৰ্যসূচীৰ অধীনত আয়োজন কৰা এই পদক্ষেপত অংশগ্ৰহণৰ বাবে শিক্ষা মন্ত্ৰালয়ে সমগ্ৰ দেশৰ যুৱচামক আমন্ত্ৰণ জনাইছে।

অহা ১৮ মাৰ্চ পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে ebsb.aicte-india.org ৱেবছাইটৰ জৰিয়তে পঞ্জীয়ন কৰিব পাৰিব। এই কাৰ্যসূচীয়ে যুৱ অংশগ্ৰহণকাৰী সকলক বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল ভ্ৰমণৰ জৰিয়তে দেশৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু উদ্ভাৱন পৰিস্থিতি তন্ত্ৰৰ অভিজ্ঞতা লাভ সুযোগ প্ৰদান কৰিব।

০০০০০০০০

কেন্দ্ৰীয় সংখ্যালঘু মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি কয় যে দেশৰ সকলো সৰু-বৰ সংখ্যালঘু সম্প্ৰদায়ৰ কল্যাণৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। শ্ৰীৰিজিজুৱে সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰি কয় যে সকলো আঁচনি আৰু কাম-কাজ যাতে স্বচ্ছ, নিকা আৰু সকলোকে সামৰি কাৰ্যকৰী কৰিব পৰা যায় তাৰ বাবে চৰকাৰে বিশেষ চকু ৰাখিছে। শ্ৰীৰিজিজুৱে লগতে কয় যে চৰকাৰে সমন্বয়, ন্যায় আৰু সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাসৰ নীতি সাৰোগত কৰি কামত অগ্ৰসৰ হ'ব।

০০০০০০০০০

ইৰাকৰ বাগদাদত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দূতাবাসত যোৱা নিশা ক্ষেপণাস্ত্ৰই আঘাত হানে। এই ঘটনাত দূতাবাসৰ চৌহদত থকা এখন হেলিপেডৰ কিছু ক্ষতি হয়। ইৰাক চৰকাৰৰ বিভিন্ন বিভাগৰ কাৰ্যালয় আৰু বিভিন্ন দেশৰ দূতাবাস থকা এই অঞ্চলটোৰ গ্ৰীণজ'নৰ অন্তৰ্গত। ইৰাকৰ ৰাজধানী মহানগৰখনত হোৱা আক্ৰমণত ইৰান সমৰ্থিত ইছলামিক গোটৰ দুজন সদস্য নিহত হোৱাৰ পাছতে আমেৰিকাৰ দূতাবাসত আক্ৰমণ সংঘটিত হয়। ইৰানৰ চৰকাৰী সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি দূতাবাসটোৰ ৰাডাৰ ব্যৱস্থাক লক্ষ্য কৰি এখন আত্মঘাটি ড্ৰোণে আক্ৰমণ চলায়। ইৰাক দীৰ্ঘদিন ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজত চলা ছায়া যুদ্ধৰ স্থলী হিচাপে পৰিগণিত হৈ আহিছে।

০০০০০০০০০

অৱসৰ প্ৰাপ্ত লেঃজেনেৰেল চৈয়দ আটা হুছনইনে আজি বিহাৰৰ ৪৩ সংখ্যক ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰে। লোক ভৱনত আয়োজিত সমাৰোহত পাটনা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সংগম কুমাৰ চাহুৱে তেওঁক শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানত মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, উপ মুখ্যমন্ত্ৰীদ্বয় সম্ৰাট চৌধাৰী আৰু বিজয় কুমাৰ সিনহা উপস্থিত থাকে।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কৈছে যে সমগ্ৰ পশ্চিম এছিয়াত নিয়ন্ত্ৰণ কৰা আৰু ইজৰাইলক ধ্বংস কৰা ইৰাণৰ অভিপ্ৰায়ৰ পৰিকল্পনা এতিয়া নিঃশেষ হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীট্ৰাম্পে কয় যে, ইৰাণৰ খাৰ্গ দ্বীপৰ সেনা বাহিনীৰ স্থানসমূহক লক্ষ্য কৰি আমেৰিকাৰ চেণ্ট্ৰেল কামাণ্ডে ধাৰাষাৰ বোমা নিক্ষেপ কৰিছে আৰু দ্বীপটোত থকা সামৰিক ঘাটিসমূহ সম্পূৰ্ণৰূপে ধ্বংস কৰা হৈছে। তেওঁৰ নিৰ্দেশত অঞ্চলটোৰ ইতিহাসত এয়াই আটাইতকৈ শক্তিশালী বোমা নিক্ষেপৰ ঘটনা। তেওঁ লগতে কয় যে, আমেৰিকা যুক্তৰাষ্ট্ৰই দ্বীপটোত থকা তৈল আন্তঃগাথনিসমূহ এই আক্ৰমণৰ পৰা ৰেহাই দিয়া হৈছে। উল্লেখযোগ্য যে ইৰাণৰ খাৰ্গ দ্বীপটো অৰ্থনৈতিক জীৱন ৰেখা হিচাপে চিহ্নিত হৈ আহিছে। ইয়াৰ পৰাই দেশখনৰ প্ৰায় ৯০ শতাংশ খাৰুৱা তেল ৰপ্তানি কৰা হয়।

০০০০০০০

তীব্ৰ অৰ্থনৈতিক সংকট আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ বৰ্ধিত চাপৰ পৰিপ্ৰেক্ষিতত কিউবাৰ ৰাষ্ট্ৰপতি মিগুৱেল ডিয়াজ-কেনেলে প্ৰকাশ কৰিছে যে কিউবাৰ চৰকাৰী প্ৰতিনিধিয়ে আমেৰিকা

যুক্তৰাষ্ট্ৰৰ সৈতে আলোচনা কৰিছে। কিউবাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কালি চৰকাৰী টেলিভিচন চেনেলত এটা ভিডিঅ' প্ৰকাশ কৰি কয় যে কেতবোৰ আন্তৰ্জাতিক কাৰণতে এই আলোচনালানি অনুষ্ঠিত হৈছে। দ্বিপাক্ষিক সমস্যাৰ চিনাক্তকৰণ আৰু সমাধানৰ বাবে এই আলোচনাত প্ৰয়াস কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে দুয়োখন দেশৰ জনসাধাৰণ উপকৃত হ'ব পৰাকৈ ফলপ্ৰসু কৰ্মসূচী বিচাৰি উলিওৱাত এই আলোচনাত গুৰুত্ব দিয়া হ'ব।

০০০০০০০০০

এফ আই এইচ মহিলা হকী বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন তেলেংগানাৰ জি এম চি বালাযোগী হকী গ্ৰাউণ্ডত সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। দুয়োটা দলেই ফাইনেল পৰ্যন্ত অপৰাজিত হৈ আছে। চালিমা টেটেৰ নেতৃত্বৰ ভাৰতৰ দলটোৱে যোৱা নিশা অনুষ্ঠিত ছেমি ফাইনেলত ইটালীক ১-০ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতৰ মনীষা চৌহানে খেলখনৰ ৪০ মিনিটত একমাত্ৰ গ'ল দি দলক জয় লাভ কৰোৱায়। ইয়াৰ লগে লগে মহিলাৰ হকী বিশ্বকাপত তৃতীয়বাৰৰ বাবে ভাৰতৰ অংশগ্ৰহণ নিশ্চিত হৈ পৰে।

০০০০০০০

সমাপ্ত